# ১৮৫৭ চনৰ বিদ্ৰোহ

**TEXTUAL QUESTIONS AND ANSWERS**

**প্ৰশ্ন ১: উত্তৰ লিখা –**

( ক ) স্বত্ব বিলা◌েপ নীতি কোনে প্ৰৱৰ্তন কৰিছিল ?

**উত্তৰঃ** লৰ্ড ডেলহাউছীয়ে ।

( খ ) ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰথম শ্বহীদ কোন আছিল ?

**উত্তৰঃ** মঙ্গল পাণ্ডে ।

( গ ) ঝান্সিত বিদ্ৰোহৰ নেতৃত্ব কোনে দিছিল ?

**উত্তৰঃ** ঝান্সীৰ ৰাণী লক্ষ্মীবায়ে ।

( ঘ ) ভাৰতৰ শেষ মা◌েগল সম্ৰাট কোন আছিল ?

**উত্তৰঃ** বাহাদুৰ ছাহ ।

( ঙ ) কোন চনত মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল ?

**উত্তৰঃ** ১৮৫৮ চনত ।

**প্ৰশ্ন ২: খালী ঠাই পূৰ কৰা –**

( ক ) ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ তৎকালীন কাৰণ আছিল ___।

**উত্তৰঃ** চৰ্বীযুক্ত কাৰ্টিজ বা টোটা ব্যৱহাৰৰ নিৰ্দেশ।

( খ ) লক্ষ্ণৌত বিদ্ৰোহৰ নেতৃত্ব দিছিল ___।

**উত্তৰঃ** বেগম হজৰৎ মহলে ।

( গ ) মহাৰাণী ভিক্টোৰীয়াৰ ঘাোষণা পত্ৰৰ দ্বাৰা ভাৰতৰ গবৰ্ণৰ জেনেৰেল জনৰ উপাধি হয় ___ ।

**উত্তৰঃ** ভাইচৰয় বা ৰাজপ্ৰতিনিধি ।

( ঘ ) বৃটিছ প্ৰশাসনৰ বিৰুদ্ধে মাতমতা প্ৰথম আহাোম ৰাজকোৱৰ জন হ'ল ___।

**উত্তৰঃ** গাোমধৰ কোৱঁৰ ।

( ঙ ) মণিৰাম দেৱানৰ লগত ___ কো ফঁটী দিয়া হৈছিল ।

**উত্তৰঃ** পিয়লি বৰুৱা ।

**প্ৰশ্ন ৩: শুদ্ধ উত্তৰ বাছি উলিওৱা –**

( ক ) মংগল পাণ্ডেৰ লগত নানা চাহেব / তান্তীয়া টোপী / ঈশ্বৰী পাণ্ডেক ফাঁচী দিয়া হৈছিল ।

**উত্তৰঃ** ঈশ্বৰী পাণ্ডেক ।

( খ ) কানপুৰত বিদ্ৰোহৰ নেতৃত্ব দিছিল কোৱঁৰ সিং / নানা চাহেব / আহম্মদ উল্লাছাহে ।

**উত্তৰঃ** নানা চাহেবে ।

( গ ) চিপাহী বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা যুদ্ধ বুলি কৈছে ৰমেশ চন্দ্ৰ মজুমদাৰ / চাভাৰকাৰ / অশাোক মেহতাই ।

**উত্তৰঃ** চাভাৰকাৰে ।

( ঘ ) মণিৰাম দেৱানক ফঁচি দিয়া হৈছিল / কলিকতা / শিৱসাগৰ / যাোৰহাটত ।

**উত্তৰঃ** যাোৰহাটত ।

**প্ৰশ্ন ৪: চমুটোকা লিখা –**

**( ক ) ঝালীৰ ৰাণী লক্ষ্মীবাঈ ।**

**উত্তৰঃ** ৰাণী লক্ষ্মী বাঈ আছিল ঝান্সিৰ ৰজা গংগাধৰ ৰাওৰ পত্নী । তেওঁলােকৰ পুত্ৰ সন্তান নাছিল । এজন তোলনীয়া পুতেক আছিল । গদাধৰ ৰাওৰ মৃত্যুৰ পিছত লক্ষ্মী বায়ে তেওঁলােকৰ তােলনীয়া পুতেকক ৰজা পাতিব বিচাৰিলে । কিন্তু ইংৰাজ গৱৰ্ণৰ জেনেৰেল ডেলহাউচীয়ে স্বত্ব বিলােপ নীতিৰ গইনা লৈ ঝান্সী বৃটিছৰ সাম্ৰাজ্য ভুক্ত কৰিলে । এই কথাত বিতুষ্ট হৈ লক্ষ্মীবাঈ জাঙুঁৰ খাই উঠিল আৰু ইংৰাজৰ বিৰুদ্ধে চলি থকা ১৮৫৭ চনৰ বিদ্ৰোহত তেও জপিয়াই পৰিল । তেওঁৰ প্ৰধান সহযােগী আছিল তান্তীয়া টোপী । বিদ্ৰোহত ঝন্সীৰাণী লক্ষ্মীবাঈৰ বীৰত্ব আৰু সাহসে সকলােকে চমক খুৱাইছিল । আনকি তেওঁৰ বীৰত্বৰ কথা বৃটিছ্ বাহিনীৰ সেনাপতিয়েও শলাগিবলগীয়া হৈছিল । অসীম বীৰত্বৰে যুদ্ধ কৰি শেষত তেওঁ যুদ্ধক্ষেত্ৰত প্ৰাণ দিবলগীয়া হয় ।

**( খ ) এনফিল্ড ৰাইফল ।**

**উত্তৰঃ** ১৮৫৭ চনত ইংৰাজৰ বিৰুদ্ধে হােৱা বিদ্ৰোহৰ মুখ্য কাৰণটোৱেই আছিল এনফিল্ড ৰাইফল । এনফিল্ড ৰাইফলৰ টৌটাবিলাকৰ ওপৰত একো একোখন ঢাকণি আছিল আৰু ৰাইফলত টৌটাবিলাক সােমােৱাৰ সময়ত ঢাকণিখনৰ মুৰটো দাতেঁৰে কামুৰি এৰুৱাবলগীয়া হৈছিল । ঢাকণি বিলাক গৰু আৰু গাহৰিৰ চৰ্বীৰে তৈয়াৰ কৰা হৈছিল বুলি সেই সময়ত এটা গুজব ওলাইছিল । গাহৰি মুছলমান সকলৰ অখাদ্য আৰু গৰু হিন্দুৰ অভক্ষ্য বাবে ভাৰতীয় চিপাহীয়ে ইয়াক ব্যৱহাৰ কৰিব নুখুজিলে । তেওঁলােকৰ ধৰ্ম নষ্ট কৰাৰ বাবে ইংৰাজে এই ফন্দি কৰা বুলি তেওঁলােকে ধৰি ললে আৰু ইয়াৰ ব্যৱহাৰৰ বিৰােধিতা কৰিলে । বহমপুৰ , বেৰেকপুৰ আদি সেনা – চাউনিত প্ৰতিবাদ হ'ল । কোম্পানী চৰকাৰেও বিহিত ব্যৱস্থা লবলৈ ধৰিলে । মঙ্গলপাণ্ডে নামৰ এজন চিপাহীয়ে বিদ্ৰোহ ঘােষণা কৰি এজন ইংৰাজ বিষয়ালৈ গুলীবৰ্ষণ কৰিলে।মঙ্গল পাণ্ডেক ইংৰাজে ফাঁচী দিলে । এইদৰেই বিদ্ৰোহৰ অগনি জ্বলি উঠিল ইংৰাজৰ বিৰুদ্ধে ।

**( গ ) মণিৰাম দেৱান ।**

**উত্তৰঃ** মণিৰাম দেৱান এগৰাকী সম্ৰান্ত বা অভিজাত শ্ৰেণীৰ অসমীয়া আছিল । এই সকল লােক ইংৰাজৰ দ্বাৰা প্ৰতাৰিত হৈছিল । আহােম ৰাজসভাত মধ্যবিত্ত এই অভিজাত শ্ৰেণীটোৱে যি সা – সুবিধা পাইছিল , ইংৰাজৰ আমােলত তেওঁলােকে সেই সকলােবােৰ হেৰুৱাইছিল । এওঁলােক অসন্তুষ্ট হৈ পৰিছিল ।

মণিৰাম দেৱান অৱশ্যে প্ৰথম অৱস্থাত বৃটিছ্ প্ৰশাসনৰ একান্ত সহযাে গীয়ে আছিল । তেওঁৰ কৰ্ত্তব্যনিষ্ঠা আৰু বিচক্ষণতাৰ কাৰণে কোম্পাণী চৰকাৰে তেওঁক বিভিন্ন বিষয়বাব দিছিল । আনকি ১৮৩৯ চনৰ জুন মাহত আৰম্ভ অসম চাহ কোম্পানীৰ দেৱান হিচাপেও মণিৰামক নিযুক্তি দিছিল । কিন্তু অতি কম দিনৰ ভিতৰতে কোম্পানী চৰকাৰৰ বৈষম্যমূলক আচৰণৰ বাবে বৃটিছ্‌ৰ লগত তেওঁৰ মনোমালিন্য হয় । শেষত তেওঁ বৃটিছ্‌ৰ বিৰুদ্ধে বিদ্ৰোহত অসমত মুখ্য ভূমিকা পালন কৰিলে । বৃটিছে সকলাে সম্ভেদ লৈ , অৱশেষত ১৮৫৮ চনৰ ২৬ ফ্ৰেব্ৰুৱাৰীত মণিৰাম দেৱানক যাে ৰহাটত ফাঁচি দিয়ে ।

**প্ৰশ্ন ৫: চিপাহী বিদ্ৰোহৰ কাৰণ বিলাক কি কি আছিল ? চিপাহী বিদ্ৰোহ ৰাজনৈতিক কাৰণৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** ১৮৫৭ চনৰ বিদ্ৰোহৰ কাৰণবাে ৰক সাধাৰণতে ৰাজনৈতিক , ধৰ্মীয় , অৰ্থনৈতিক সামৰিক আদি বিভিন্ন ভাগত ভগাব পাৰি ।

**১। ধৰ্মীয় কাৰণ :-** কোম্পানী চৰকাৰৰ শাসন কালত খৃষ্টান মিছনেৰীসকলে ভাৰতত ব্যাপক হাৰত খৃষ্ট ধৰ্মৰ প্ৰচাৰ অব্যাহত ৰাখিছিল । এইটোৱে ভাৰতীয় মানুহৰ মনত এক শঙ্কাৰ ভাব সৃষ্টি কৰিছিল । তেওঁলাে কে ভাবিছিল যে বৃটিছসকলে ভাৰতবৰ্ষক খৃষ্টান দেশলৈ ৰূপান্তৰিত কৰিব ।

**২। অৰ্থনৈতিক কাৰণ :-** বৃটিছ্ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে মুলতঃ বেহা – বেপাৰৰ বাবে ভাৰতলৈ আহিছিল । গতিকে তেওঁলাে কৰ প্ৰধান লক্ষ্য আছিল আৰ্থিক লাভ । এই উদ্দেশ্যে এওঁলাে কে কিছুমান নীতিৰ প্ৰবৰ্তন কৰি স্থানীয় লাে কৰ আৰ্থিক উন্নতিত মাধমাৰ সাে ধাইছিল আৰু কোম্পানীৰ অৰ্থিক উন্নতি সাধিছিল । বেহা – বেপাৰৰ চলেৰে আহি ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী হৈ ৰাজহ নীতিৰ জৰিয়তে জমিদাৰ কৃষক উভয় শ্ৰেণীক আৰ্থিক সংকটত পেলাইছিল। ডেলহাউছীৰ ভূমিনীতিয়ে বহুলাে কক ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছিল। ইংলণ্ডত হাে ৱা শিল্প বিপ্লৱৰ গইনা লৈ অসমৰ কেঁচামাল সৰবৰাহ কৰি সামগ্ৰী মেচিনত তৈয়াৰ কৰি পুনৰ ভাৰতলৈ আনি কম দামত বজাৰত মেলি দিয়াত ভাৰতৰ কুটীৰ উদ্যোগ ধ্বংসৰ গৰাহত পৰিছিল বাবে সকলাে অসন্তুষ্ট হৈ আছিল ।

**৩। সামৰিক কাৰণ :-** বৃটিছ্ সকলে ভাৰতত এখন সাম্ৰাজ্য গঢ়ি তাে লাৰ ক্ষেত্ৰত ইউৰাে পীয় সৈন্যসকলৰ লগতে ভাৰতীয় সৈন্যসকলৰ সমানে অৰিহণা আছিল । কিন্তু ভাৰতীয় সৈন্যৰ জীৱন ধাৰণৰ মানদণ্ড নিম্ন পৰ্যায়ৰ আছিল । কোম্পানী চৰকাৰে তেওঁলাে কৰ দা – দৰমহা , পদোন্নতি আদিৰ ক্ষেত্ৰত বৈষম্যমূলক নীতি অৱলম্বন কৰিছিল। সেয়ে তেওঁলাে কে ১৮৫৭ চনৰ বিদ্ৰোহত ভাগ লৈছিল ।

**৪। তৎকালীন কাৰণ :-** ১৮৫৭ চনৰ বিদ্ৰোহৰ বিভিন্ন কাৰণ আছিল যদিও তৎকালীক কাৰণটোৱেই জ্বলা জুইত ঘিউ ঢালিছিল ।সামৰিক বাহিনীত নতুনকৈ ব্যৱহাৰ কৰিব দিয়া এনফিল্ড ৰাইফল বিলাকৰ টোটাবিলাকৰ ওপৰত একো একোখন ঢাকনি আছিল । ৰাইফলত টোটা বিলাক সুমুৱাৰ সময়ত ঢাকণিখনৰ মূৰটো দাতেঁৰে কামুৰি এৰুৱাব লগীয়া হৈছিল । এই ঢাকনিবিলাক গৰু আৰু গাহৰিৰ চৰ্বীৰে বনা◌েৱা বুলি সেই সময়ত এটা গুজৱ ওলাইছিল । হিন্দু – মুছলমান উভয়ৰে অভক্ষ গৰু গাহৰিৰ চবৰে নিৰ্মিত এই কাৰ্টিজ ভাৰতীয় চিপাহী সকলে ধৰ্ম নষ্ট হা◌েৱাৰ আশঙ্কাত ব্যৱহাৰ কৰিব নিবিছাৰিছিল আৰু ইয়াক লৈয়ে বিদ্ৰোহ আৰম্ভ হৈছিল ।

**৫। ৰাজনৈতিক কাৰণ :-** ১৮৫৭ চনৰ বিদ্ৰোহৰ বিভিন্ন কাৰণ থাকিলেও মূখ্য কাৰণ আছিল ৰাজনৈতিক । বেহা – বেপাৰৰ চলেৰে অহা বৃটিছসকলে ছলে – বলে – কৌশলে সাম্ৰাজ্যবাদী মনা◌েভাবেৰে দেশীয় ৰাজ্যসমূহ নিজ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল । বিভিন্নজন গৱৰ্ণৰ জেনেৰেলে সাম্ৰাজ্য বিস্তাৰত অৰিহণা যা◌েগাইছিল যদিও লৰ্ড ডেলহাউছীৰ সাম্ৰাজ্যবাদী স্বত্ববিলা◌েপ নীতি'য়ে ভাৰতীয় ৰজা আৰু জমিদাৰ সকলৰ ওপৰত সাংঘাটিক কু – প্ৰভাৱ পেলাইছিল । ৰাজকীয় মৰ্যাদা কৰ্ত্তন , পেঞ্চন বন্ধ আদি কাৰ্যত মধ্যবিত্ত শ্ৰেণীটো অসন্তুষ্ট হৈছিল।তাৰা◌েপৰি বৃটিছসকলৰ কুশাসনে ভাৰতীয় সাধাৰণ মানুহখিনিকো অসন্তুষ্ট কৰি তুলিছিল ।

**প্ৰশ্ন ৬: চিপাহী বিদ্ৰোহৰ বিফলতাৰ তিনিটা কাৰণ লিখা ।**

**উত্তৰঃ** চিপাহী বিদ্ৰোহ সফল নহ'ল । বৃটিছ চৰকাৰে কঠোৰ হাতেৰে এই বিদ্ৰোহ দমন কৰিলে। এই বিদ্ৰোহ বিফল হা◌েৱাৰ তিনিটা প্ৰধান কাৰণ তলত উল্লেখ কৰা হল—

১। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ সমগ্ৰ ভাৰতবৰ্ষ জুৰি হা◌েৱা নাছিল । বিশেষ বিশেষ কেইটামান অঞ্চলতহে এই আন্দোলন চলিছিল ।

২। যি সকলে বিদ্ৰোহৰ নেতৃত্ব লৈছিল তেওঁলা◌েকে নিজ বীৰত্ব প্ৰদৰ্শন কৰিছিল যদিও ব্যাপকভাবে যুদ্ধ পৰিচালনা কৰা অভিজ্ঞতা তেওঁলা◌েকৰ নাছিল । তাৰা◌েপৰি বিদ্ৰোহীসকলৰ সৰ্ব ভাৰতীয় পৰ্যায়ৰ কোনা◌ে নেতা নাছিল যাৰ বাবে সমন্বয় আৰু ঐক্যবদ্ধতাৰ অভাৱ হৈছিল।

৩। বৃটিছ বাহিনীয়ে যথেষ্ট ধৰণৰ উন্নত অস্ত্ৰ – শস্ত্ৰ ব্যৱহাৰ কৰিছিল । তাৰ পৰিবৰ্ত্তে ভাৰতীয় চিপাহী সকলৰ অস্ত্ৰ – শস্ত্ৰবা◌েৰ আছিল অতি পুৰণি আৰু অনুন্নত ।

**প্ৰশ্ন ৭: চিপাহী বিদ্ৰোহৰ ফলাফল কি আছিল লিখা।**

**উত্তৰঃ** চিপাহী বিদ্ৰোহৰ ফলত ভাৰতত কোম্পানী চৰকাৰৰ অৱসান ঘটিল আৰু ইংলেণ্ডৰ পাৰ্লিয়ামেণ্টৰ পাোন পটীয়া শাসন ভাৰতত প্ৰৱৰ্তন কৰা হ'ল , ইংলণ্ডৰ সম্ৰাজ্ঞী মহাৰাণী ভিক্টোৰিয়াৰ ঘাোষণা পত্ৰৰ মৰ্মে ।

ভাৰতত শাসন হিচাপে গৱৰ্ণৰ জেনেৰেল জনকে ৰখা হ'ল কিন্তু তেওঁৰ উপাধি এতিয়াৰে পৰা ভাইচৰয় বা ৰাজ প্ৰতিনিধি বুলি ঘাোষণা কৰা হ'ল।

সামৰিক বাহিনীত ভাৰতীয় চিপাহীৰ সংখ্যা বেছি হাোৱাৰ কাৰণেই বিদ্ৰোহ সংঘটিত হাোৱা বুলি ভাবি বৃটিছ চৰকাৰে সামৰিক বাহিনী পুনৰ গঠন কৰিলে আৰু সৈন্য বাহিনীত ইউৰাোপীয় সৈন্যৰ সংখ্যা বৃদ্ধি কৰিলে।

## প্ৰশ্ন ৮: অসমত চিপাহী বিদ্ৰোহৰ প্ৰস্তুতি কেনেধৰণে চলাোৱা হৈছিল চমুকৈ লিখা ।

**উত্তৰঃ** ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ত অসমত বিদ্ৰোহৰ প্ৰস্তুতিহে চলাোৱা হৈছিল , সংঘটিত হ'বলৈ নাপালে । এই বিদ্ৰোহ অসমত ৰাজপৰিয়াল আৰু তেওঁলাোকৰ সমৰ্থকাৰী সম্ৰান্ত শ্ৰেণীৰ দ্বাৰাহে আৰম্ভৰ যাো – জা চলিছিল । গতিকে অসমত ইয়াক চিপাহী বিদ্ৰোহ বুলি কোৱাতকৈ অসমৰ পৰা বৃটিছ শাসন ওফোৰাই পেলাোৱাৰ প্ৰচেষ্টা বুলিহে ক'ব পাৰি ।

বৃটিছ প্ৰশাসনৰ ফল অসমৰ ৰাজনৈতিক , অৰ্থনৈতিক , সামাজিক সকলাো ক্ষেত্ৰতে পৰিছিল । শাোষিত , নিষ্পেষিত লাোক সকলে ক্ষোভ প্ৰকাশৰ সুবিধা বিচাৰি ফুৰিছিল আৰু তেনেতে ভাৰতৰ বিভিন্ন ঠাইত ১৮৫৭ চনত চিপাহীবাোৰে কৰা বিদ্ৰোহে অসমলৈও সুযাোগ আনিলে । কিন্তু এই কথা ক'ব লাগিব যে ভাৰতৰ অইন ঠাইৰ দৰে অসমত চিপাহীয়ে নহয় , এগৰাকী সম্ৰান্ত বংশৰ লাোকেহে আন্দোলনৰ গুৰি ধৰিছিল , তেৱেঁই হ'ল —মণিৰাম দেৱান ।

বৃটিছ প্ৰশাসনৰ এসময়ৰ একান্ত সহযাোগী , বিচক্ষণ , কৰ্তব্য নিষ্ঠা থকা ব্যক্তি মণিৰাম দেৱানে ইংৰাজ চৰকাৰৰ বিভিন্ন পদবীত অধিষ্ঠিত হৈছিল যদিও শেষলৈ বৃটিছৰ বৈষম্যমূলক আচৰণৰ বাবে চাকৰি ইস্তফা দি বৃটিছ বিৰাোধী আন্দোলনৰ নেতৃত্ব দিছিল । তেওঁ অসমৰ ৰজা ভঙা – পৰা ব্যৱস্থাটো পচণ্ড নাছিল আৰু এই সংক্ৰান্তত প্ৰথম অৱস্থাত ইংৰাজৰ লগত এলানি আলাোচনাত বহি সুফল নাোপাোৱাত আন্দোলনৰ আঁচনি ৰচনা কৰিছিল ।

এই উদ্দেশ্যে তেওঁ কলিকতাৰ পৰা পিয়লি বৰুৱা আৰু কদৰ্পেশ্বৰ সিংহলৈ বিদ্ৰোহৰ সকলাো খা – খবৰ জনালে । অসমৰ বিভিন্ন ঠাইত থকা চিপাহীসকলৰ লগত

যাোগাযাোগ কৰি সশস্ত্ৰ সংগ্ৰামৰ বাবে সাজু হ'বলৈ ক'লে। এনে প্ৰস্তুতি চলাই থকাৰ সময়তে মণিৰাম দেৱানে লিখা কেইখনমান চিঠি শিৱসাগৰ জিলাৰ ডেপুটি কমিছাৰৰ হাতত পৰিল। এই কৌশল ৰচনাৰ অপৰাধত মণিৰাম দেৱানক গ্ৰেপ্তাৰ কৰি কিছুদিন আলিপুৰ জেইলত ৰখাৰ পিছত অসমলৈ আনি বিচাৰ কৰি ৰাজহৰ অপৰাধত মৰাম দেৱান আৰু পিয়লি বৰুৱাক ১৮৫৮ চনৰ ২৬ ফ্ৰেব্ৰুৱাৰীত যাোৰহাটত ফাঁচি দিয়া হয়।

**প্ৰশ্ন ৯: ৰমেশ চন্দ্ৰ মজুমদাৰে চিপাহী বিদ্ৰোহক কিয় জাতীয় বিদ্ৰোহ নহয় বুলি কৈছে লিখা।**

**উত্তৰঃ** বিভিন্ন পণ্ডিতে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক ইংৰাজৰ বিৰুদ্ধে ভাৰতৰ জাতীয় বিদ্ৰোহ বুলি ক'ব বিচাৰে যদিও ঐতিহাসিক ৰমেশ চন্দ্ৰ মজুমদাৰে কিন্তু এই বিদ্ৰোহক জাতীয় বিদ্ৰোহ বুলি ক'ব নিবিচাৰে। তেওঁৰ মতে ই কোনাে জাতীয় বিদ্ৰোহ নাছিল, এই বিদ্ৰোহ মাত্ৰ ভাৰতৰ কেইখনমান ঠাইতহে সীমাবদ্ধ আছিল। তাৰাােপৰি কিছুমান ভাৰতীয় ৰজাই ইংৰাজ সকলকহে সমৰ্থন দিছিল। চিপাহী সকলৰ বিদ্ৰোহ বিক্ষিপ্ত আছিল, সমগ্ৰ ভাৰতজুৰি সংগঠিত ভাবে এক বিশেষ নেতৃত্বৰ অধীনত এই বিদ্ৰোহ হাােৱা নাছিল।